**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

আজি বীৰ শিশু দিৱস। শিখসকলৰ ধৰ্মগুৰু গোবিন্দ সিঙৰ দুই বীৰ ছহিদ পুত্ৰ বাবা ফাটেহ্ সিং আৰু জোৰাৱৰ সিঙৰ সোঁৱৰণত সমগ্ৰ দেশজুৰি এই দিৱস উদযাপন কৰা হৈছে।

দেশৰ আন প্ৰান্তৰ লগতে অসমতো এই দিৱস পালন কৰা হৈছে। দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মিৰ্জাস্থিত আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বীৰ শিশু দিৱসৰ সৈতে সংগতি ৰাখি এখন বিশেষ সভাৰ আয়োজন কৰা হয়। সভাত মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই অংশ লয়। একেদৰে গুৱাহাটী মহানগৰীৰ গোপীনাথ নগৰৰ গুৰুদ্বাৰত আয়োজিত অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, অসম প্ৰদেশ বিজেপিৰ প্ৰভাৰী হৰিষ দ্বিৱেদীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে বীৰ শিশু দিৱসৰ লগত সংগতি ৰাখি মাই গভ আৰু মাই ভাৰত প'ৰ্টেলৰ জৰিয়তে কুইজকে ধৰি বিভিন্ন অনলাইন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হ'ব। চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে এইবেলি খানাপাৰালৈ এই গ্ৰন্থমেলা স্থানান্তৰিত কৰা হৈছে। আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰে। ৭ জানুৱাৰীলৈ চলিবলগীয়া এইবাৰৰ গ্ৰন্থমেলাত মুঠ ১১৮ টা পুথি প্ৰকাশক আৰু বিক্ৰেতা প্ৰতিষ্ঠানে ভাগ ল'ব। ইয়াৰ উপৰি বাণিজ্যিকভাৱে প্ৰচাৰ কৰিব বিচৰা ১৯ টা শৈক্ষিক প্ৰতিষ্ঠানেও গ্ৰন্থমেলাত অংশ ল'ব। এইবেলি গ্ৰন্থমেলাত ৩৫০ খন বিপণী থাকিব। কলকাতাৰ বিশিষ্ট লেখক বিনোদ ঘোষাল, বলদেৱানন্দ সাগৰ, চলচ্চিত্ৰ পৰিচালক মনোজ শ্ৰীবাস্তৱ, সচিদানন্দ যোশী, সুৰিন্দৰ কুমাৰে গ্ৰন্থমেলাত বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব।

০০০০০০০০

TET নিযুক্তি পৰীক্ষাত দশম শ্ৰেণী পৰ্যায়ৰ ১৫ নম্বৰৰ গণিতৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হ'ব। TET নিযুক্তি পৰীক্ষাত আন প্ৰশ্নৰ লগতে গণিতৰ প্ৰশ্নও অন্তৰ্ভুক্ত কৰা হ'ব বুলি নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাৰ পাছতে প্ৰাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ উত্তৰত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে পৰীক্ষাৰ কেইদিনমান পূৰ্বে নতুন পাঠ্যক্ৰম প্ৰকাশ কৰাক লৈ ক্ষুণ্ণ হৈ পৰা একাংশ প্ৰাৰ্থীৰ আবেদনমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে টেট নিযুক্তি পৰীক্ষা ১৫ দিন পিছুৱাই দিবলৈ নিৰ্দেশ দিছে। সেই অনুসৰি এই পৰীক্ষা ২৯ ডিচেম্বৰৰ পৰিৱৰ্তে ১৯ জানুৱাৰীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০

পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৪১ সংখ্যক দ্বিবাৰ্ষিক অধিৱেশন কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। মৰিয়নিৰ চেলেংহাটৰ ডামচাও তিলকগগৈ ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। অধিৱেশনস্থলীত গ্ৰন্থমেলা, খাদ্যমেলা আৰু আহোম যুগৰ ঐতিহাসিক সামগ্ৰীসমূহৰ প্ৰদৰ্শনীস্থলী থাকিব। এই অনুষ্ঠানৰ মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা আছে।

০০০০০০

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ জিলা সদৰত থকা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত জব মেলা আৰু ঋণ মেলা অনুষ্ঠিত কৰে। জিলাখনত নিয়োগৰ সুযোগ সৃষ্টি কৰা, সৰ্বাংগীন উন্নয়ন তথা সৰলীকৰণৰ বাবে আয়োজন কৰা এই অনুষ্ঠানত জিলা উপায়ুক্তৰ লগতে বিধায়ক জলেন দৈমাৰীসহ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০

ডিগবৈৰ সমীপৰ দিহিং বনাঞ্চলৰ কাষত নাজিৰাটিং তামুলীগাঁৱত অহা ৩১ ডিচেম্বৰৰ পৰা ২ জানুৱাৰীলৈ পঞ্চম বাৰ্ষিক পৰ্যটন উৎসৱৰ আয়োজন কৰা হৈছে। গ্ৰাম্য অৰ্থনীতি সবল কৰাৰ লক্ষ্যৰে আয়োজন কৰা এই পৰ্যটন উৎসৱত এশটা আত্মসহায়ক গোটৰ এহেজাৰ মহিলাই থলুৱা সামগ্ৰীৰ বিপণী মুকলি কৰিব। উৎসৱত লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০০০০

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা আমালৈ বাতৰি অহাৰ পৰলৈকে প্ৰথম ইনিংছত ৫টা উইকেটৰ বিনিময়ত ২৯১ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টচত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে এই পাঁচখনীয়া শৃংখলাত দুয়োটা দলে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০০০

সমাপ্ত